জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৮৩/২০২২

## আকাশ মাৰ্গেৰে কাছাৰ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

# উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

# বানপীড়িতৰ সাহায্যৰ বাবে শিলচৰ চহৰৰ ৱাৰ্ডপৰ্যায়ৰ আঁচনি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৩ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আকাশ মাৰ্গেৰে শিলচৰকে ধৰি কাছাৰ জিলাৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি আৰু ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। আকাশ মাৰ্গেৰে পৰিদৰ্শন কৰাৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, উপায়ুক্ত, আৰক্ষী অধীক্ষক, ডি আই জি (দক্ষিণ মণ্ডল) উপস্থিত থাকে।

ইয়াৰ পিছতে কাছাৰ জিলাৰ বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উচ্চপদস্থ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়। জিলা উপায়ুক্তগৰাকীয়ে সাম্প্ৰতিক বানপানীত হোৱা ক্ষয়-ক্ষতি আৰু প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰাজি সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে শিলচৰ চহৰৰ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বানপ্লাৱিত প্ৰতিটো ৱাৰ্ডতে উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তুলিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো ৱাৰ্ডৰে বান পীড়িত লোকসকলে যাতে উপযুক্ত সাহায্য লাভ কৰিব পাৰে তাৰ বাবে ৱাৰ্ড পৰ্যায়ত আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। এই আঁচনি স্থানীয় জনসাধাৰণৰ সহযোগত ৰূপায়িত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কয়।

জিলাখনত যাতে প্ৰয়োজনীয় কোনো ধৰণৰ খাদ্য নাটনি নহয়, সেই দিশত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে বিমানৰ জৰিয়তে খাদ্য সৰবৰাহ কৰাৰ বাবেও উচ্চপদস্থ বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত প্ৰশাসনিক শক্তি বৃদ্ধি কৰি উদ্ধাৰ আৰু সাহায্য অভিযান যাতে সুচাৰুৰূপে পৰিচালনা কৰিব পৰা যায় তাৰ বাবে দহ গৰাকী বিষয়াক কাছাৰ জিলালৈ আহিবলৈ নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চহৰখনৰ প্ৰতিটো প্ৰান্ততে যাতে বিদ্যুৎ উপলব্ধ কৰিব পৰা যায় তাৰ বাবে এপিডিচিএলৰ শীৰ্ষ বিষয়াসকলক তৎকালে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে জিলাখনৰ অভূতপূৰ্ব বান পৰিস্থিতি মোকাবিলা কৰাৰ বাবে জিলা প্ৰশাসনৰ সহযোগত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জনসাধাৰণে যাতে বিদ্যুৎ লাভ কৰিব পাৰে তাৰ বাবে গুৱাহাটীৰ পৰা অভিযন্তা অনাৰো ব্যৱস্থা কৰা হৈছে বুলি তেওঁ কয়। খোৱাপানীৰ সমস্যা লাঘৱ কৰাৰ বাবে চৰকাৰে কাইলৈৰ পৰা দৈনিক এক লাখ লিটাৰ পানী অনাৰ ব্যৱস্থা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই বৈঠকত পৰিবহন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদ্বীপ ৰয়, বিধায়কদ্বয় ক্ৰমে দ্বীপায়ন চক্ৰৱৰ্তী আৰু কৌশিক ৰায়, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, এন ডি আৰ এফ, এছ ডি আৰ এফৰ বিষয়া আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৩/০৬/২০২২**